**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 15-04-2025 **Time :** 1205 Hrs.

***Assamese Midday Bulletin***

ব'হাগৰ পহিলা দিনটোত আজি পৰম্পৰাগতভাৱে ৰাজ্যজুৰি মানুহ বিহু পালন কৰা হৈছে। এই উপলক্ষে সমগ্ৰ ৰাজ্যতে উৎসৱমুখৰ পৰিৱেশে বিৰাজ কৰিছে। অসমৰ ইমূৰৰ পৰা সিমূৰলৈ ঢোল, পেঁপা, গগনাৰ শব্দই মুখৰিত কৰি তুলিছে। আজি অসমবাসীয়ে হেঁপাহৰ বিহুৱান বিনিময় কৰি পৰস্পৰৰ কুশল কামনা কৰাৰ লগতে জ্যেষ্ঠজনৰ আশিস লৈছে। বিভিন্ন ঠাইত মঞ্চ বিহুৰ কাৰ্যসূচীও হাতত লোৱা হৈছে।

ঐতিহ্যমণ্ডিত গুৱাহাটী বিহু সন্মিলনীয়েও কালিৰে পৰা চাৰিদিনীয়া কাৰ্যসূচীৰে লতাশিল খেলপথাৰত ৰঙালী বিহুৰ আয়োজন কৰিছে।

শিৱসাগৰৰ ৰংঘৰৰ বাকৰিতো আজি ৰঙালী বিহুৰ বিভিন্ন কাৰ্যসূচী আয়োজন কৰা হৈছে। ঐতিহাসিক ৰংঘৰৰ বাকৰিত পৰম্পৰাগত খেল-ধেমালি আৰু বিহু-হুঁচৰি অনুষ্ঠান প্ৰদৰ্শন কৰা হৈছে।

কামৰূপ জিলাৰ উত্তৰ গুৱাহাটীৰ ঐতিহ্যমণ্ডিত দৌল গোবিন্দ মন্দিৰত পুৱাৰে পৰাই পূজা-অৰ্চনা কৰিবলৈ ভক্তৰ ভিৰ পৰিলক্ষিত হৈছে। পঞ্চতীৰ্থ হাজোৰ হয়গ্ৰীৱ মাধৱ মন্দিৰ, কেদাৰ মন্দিৰতো বহু ভক্তই আশীষ লৈছে। শুৱালকুছিৰ শ্ৰীহাতী সত্ৰতো পহিলা ব'হাগত ধৰ্মীয় নাম-প্ৰসংগ আয়োজন কৰা হৈছে।

মৰাণ স্বয়ত্ব শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী পাৰিষদ অৰুণজ্যোতি মৰাণে ৰাইজলৈ বিহুৰ ওলগ জনাইছে। পাৰিষদগৰাকীয়ে বিভিন্ন জাতি-জনজাতিৰ মিলনভূমি অসমত শান্তি-সম্প্ৰীতি আৰু একতাৰ এনাজৰী সুদৃঢ় হোৱাৰ কামনা কৰে। শ্ৰী মৰাণে কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাক সাক্ষাৎ কৰি বিহুৰ শুভেচ্ছা জ্ঞাপন কৰে।

মানুহ বিহু উপলক্ষে আজি ডিব্ৰুগড় জিলাৰ প্ৰায়বোৰ মঠ-মন্দিৰ, নামঘৰত সেৱা ল'বলৈ জনসাধাৰণৰ ভিৰ হোৱা পৰিলক্ষিত হৈছে। জিলাখনৰ শ্ৰীশ্ৰী জগন্নাথ মন্দিৰত পুৱাৰে পৰা জনসাধাৰণৰ ভিৰ দেখিবলৈ পোৱা গৈছে। আজিৰে পৰা জিলাখনৰ বিভিন্ন স্থানত মুকলি বিহু আৰু মঞ্চ বিহু অনুষ্ঠিত কৰা হৈছে।

ooooo

মেঘালয়ত বসবাস কৰা তিৱা জনগোষ্ঠীৰ লোকসকলে তেওঁলোকৰ পৰম্পৰাগত ছগ্ৰা উৎসৱ অহা ১৭ এপ্ৰিলৰ পৰা তিনি দিনীয়াকৈ পালন কৰিব। উল্লেখযোগ্য যে সুদীৰ্ঘ ২৫ বছৰৰ পাছত এইবেলি মেঘালয়ৰ লুম্ফৈ গাঁৱত লুপ্ত পাবলৈ ধৰা বসন্ত উৎসৱ ছগ্ৰা পালন কৰা হ'ব। জাগীৰোডৰ গোভা দেওৰজা দীপ সিং দেওৰজাৰ অনুমতি লৈ এই উৎসৱ পালন কৰিবলৈ লোৱা হৈছে। ছগ্ৰা উৎসৱৰ পাছতেই ঝুম খেতি আৰম্ভ কৰাৰ পৰম্পৰা চলি আহিছে। বিভিন্ন কাৰণত এই উৎসৱ পালন কৰাৰ পৰা বিৰত আছিল যদিও এইবেলি মেঘালয়ত বসবাস কৰা তিৱা জনগোষ্ঠীয় লোকসকলে পুনৰ এই পৰম্পৰা পালন কৰিবলৈ ওলাইছে।

ooooo

রঙালী বিহুৰ উৎসাহ-উদ্দীপনাৰ মাজতে ৰাজ্যৰ পঞ্চায়ত নিৰ্বাচনৰ বাবেও জিলা প্ৰশাসনসমূহ ব্যস্ত হৈ পৰা পৰিলক্ষিত হৈছে। হোজাই জিলাত এই নিৰ্বাচনক লৈ প্ৰস্তুতি চলি আছে। জিলা আয়ুক্ত বিদ্যুৎ বিকাশ ভাগৱতীয়ে প্ৰকাশ কৰা মতে জিলাখনত নিৰ্বাচনৰ বাবে ৪ হাজাৰতকৈ অধিক কৰ্মচাৰী নিয়োগ কৰা হ'ব। ইতিমধ্যে দুজন নিৰ্বাচনী পৰ্যৱেক্ষক নিয়োগ কৰা হৈছে। জিলাখনত পঞ্চায়ত নিৰ্বাচনৰ বাবে গাঁও পঞ্চায়তৰ এহেজাৰ ৯৯৩ জনে মনোনয়ন পত্ৰ দাখিল কৰিছে। একেদৰে জিলা পৰিষদত দাখিল কৰা ৩৭ খন মনোনয়ন পত্ৰৰ ভিতৰত ৩৩ খন গ্ৰহণ কৰা হয়। আঞ্চলিক পঞ্চায়তটো দাখিল ২১৪ খন মনোনয়ন পত্ৰৰ ভিতৰত ২০৯ খন গ্ৰহণ কৰা হয় বুলি জিলা আয়ুক্তৰ উদ্ধৃতি দি আমাৰ সংবাদদাতাই প্ৰকাশ কৰিছে।

ooooo

তিনিচুকীয়া জিলাৰ ৰজা আলী পথৰ ৰে'লৰে পুখুৰীত আজি এজন যুৱকৰ মৃতদেহ উদ্ধাৰ কৰা হয়। কালি সন্ধিয়াৰে পৰা নিখোজ হৈ থকা ধীৰাজ সাহানী নামৰ ১৯ বছৰীয়া যুৱকজনৰ মৃতদেহ আজি এছ ডি আৰ এফে উদ্ধাৰ কৰে। যুৱকজনৰ সন্ধানত এছ ডি আৰ এফে যোৱা নিশাৰে পৰা অভিযান চলাই আছিল।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি পাঞ্জাব কিংছ কলকাতা নাইট ৰাইডাৰ্ছৰ মুখামুখি হ'ব। খেলখন চণ্ডীগড়ত সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। সম্প্ৰতি দুয়োটা দলেই ৬ পইণ্টকৈ লাভ কৰিছে যদিও উন্নত ৰাণ ৰেটৰ সুবাদত কলকাতা পাঞ্জাবতকৈ এটা স্থান আগুৱাই আছে।

ইপিনে, প্ৰতিযোগিতাত ৫ খন খেলত পৰাজিত হোৱা চেন্নাই ছুপাৰ কিংছ দলটো যোৱা নিশা লক্ষ্ণৌ ছুপাৰ জায়েণ্টৰ বিৰুদ্ধে ৫ উইকেটত জয়ী হয়। লক্ষ্ণৌৰ একানা ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত খেলখনত লক্ষ্ণৌৱে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৭টা উইকেট হেৰুৱাই ১৬৭ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিয়ে। অধিয়ানক ঋষভ পন্তে সৰ্বাধিক ৬৩ ৰাণ কৰে। ৰবীন্দ্ৰ জাদেজা আৰু মাথিছা পাথিৰাণাই দুটাকৈ উইকেট দখল কৰে। প্ৰত্যুত্তৰত ৰাচিন ৰবীন্দ্ৰ আৰু ৰশ্বিদ শেখে ৫০ ৰাণৰ অপেনিং যুটীৰে চেন্নাইক সুন্দৰ আৰম্ভণি দিয়াৰ পাছত শিবম ডুবেই ৪৩ আৰু অধিনায়ক মহিন্দ্ৰ সিং ধোনীয়ে ২৬ ৰাণ কৰি অপৰাজিত থাকি দলৰ বিজয় সুনিশ্চিত কৰে। মহেন্দ্ৰ সিং ধোনীলৈ প্লেয়াৰ অৱ মেচৰ বঁটা আগবঢ়োৱা হয়।

ooooo

গুৱাহাটীৰ ৰাজ্যিক কৰ্কট প্ৰতিষ্ঠানত কালি অত্যাধুনিক ৰ'বটিক ছাৰ্জাৰীৰ ব্যৱস্থা ৰোগীৰ বাবে মুকলি কৰা হয়। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই চিকিৎসা বিভাগৰ জ্যেষ্ঠ বিষয়াসকলৰ উপস্থিতিত এই ব্যৱস্থা মুকলি কৰে।

ooooo

পঞ্চদশ হকী ইণ্ডিয়া ছিনিয়ৰ পুৰুষ ৰাষ্ট্ৰীয় চেম্পিয়নশ্বিপ ২০২৫ৰ চূড়ান্ত খেলখনত আজি মধ্যপ্ৰদেশ পাঞ্জাবৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন উত্তৰ প্ৰদেশৰ ঝাঁচিত সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। ইপিনে বিয়লি ৫ বজাত চেম্পিয়নশ্বিপৰ তৃতীয় আৰু চতুৰ্থ স্থান নিৰ্ধাৰণকাৰী খেলখনত আয়োজক উত্তৰ প্ৰদেশ মণিপুৰৰ সন্মুখীন হ'ব।

যোৱা দেওবাৰে অনুষ্ঠিত প্ৰতিযোগিতাৰ এখন ছেমি ফাইনেলত মধ্যপ্ৰদেশে মণিপুৰক ৫-৩ গ'লত আৰু দ্বিতীয়খন ছেমি ফাইনেলত পাঞ্জাবে উত্তৰ প্ৰদেশক ৪-৩ গ'লত পৰাস্ত কৰিছিল।

ooooo

***সমাপ্ত***